**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অষ্ট্ৰেলিয়া ভ্ৰমণৰ সামৰণি মাৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ তিনিখন ৰাষ্ট্ৰ ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত আজি নিউজিলেণ্ড ভ্ৰমণ আৰম্ভ কৰিবলৈ লৈছে।

২। অসম চৰকাৰৰ বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি বিধানসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে।

৩। নিকা শক্তিৰ জৰিয়তে দ্বিতীয়বাৰৰ বাবে দেশৰ বিদ্যুৎ চাহিদাৰ ৫০ শতাংশৰো অধিক পূৰণ হৈছে বুলি বিভাগীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৪। ভাৰতীয় মহিলা ক্ৰিকেট দলটো আজি লণ্ডনৰ লৰ্ডছত হ'বলগীয়া একমাত্ৰ টেষ্টত ঘৰুৱা দল ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

আৰু

৫। আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত স্পেইন বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ তিনিখন ৰাষ্ট্ৰ ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত দুদিনীয়া কাৰ্যসূচীৰে আজি নিউজিলেণ্ড ভ্ৰমণ আৰম্ভ কৰিব। এই ভ্ৰমণকালত তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী খ্ৰীষ্ট'ফাৰ লাকছনৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত দুয়োগৰাকী নেতাই বিশেষকৈ শেহতীয়া দুবছৰত বাণিজ্য আৰু প্ৰতিৰক্ষা খণ্ডত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কই লাভ কৰা অগ্ৰগতিৰ সামগ্ৰিক বিষয়টো পৰ্যালোচনা কৰিব। উল্লেখযোগ্য যে এয়া হ'ব বিগত দুকুৰি বছৰৰ ভিতৰত ভাৰতৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীৰ প্ৰথমটো নিউজিলেণ্ড ভ্ৰমণ। এই ভ্ৰমণকালত শ্ৰী মোদীয়ে দেশখনৰ বাণিজ্য আৰু ক্ৰীড়া খণ্ডৰ আগশাৰীৰ ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে ভাৰতীয় মূলোদ্ভৱ লোকৰ এখন বৃহৎ সমাৰেশতো ভাষণ দিব।

ইয়াৰ পূৰ্বে আজি পুৱাৰ ভাগত সামৰণি পৰা প্ৰধানমন্ত্ৰী মোদীৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ছোৱাত দেশখনৰ প্ৰধানমন্ত্ৰী এন্থনী এলবানিজকে ধৰি একাধিক নেতৃস্থানীয় ব্যক্তিৰ সৈতে ভিন ভিন বিষয়ক লৈ আলোচনা অনুষ্ঠিত হয়। এনে আলোচনাত ভাৰতলৈ অষ্ট্ৰেলিয়াৰ ইউৰেনিয়ামৰ অবিৰত যোগান, সমুদ্ৰ পথৰ সুৰক্ষা আৰু ক্ৰীড়াক্ষেত্ৰৰ সহযোগিতাকে ধৰি ভালেমান বিষয়ে স্থান লাভ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আল্‌বানিজৰ সৈতে আজি মেলবৰ্ণ ক্ৰিকেট গ্ৰাউণ্ড পৰিদৰ্শন কৰে। এই ভ্ৰমণে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ সম্পৰ্কত ক্ৰীড়া কূটনীতিৰ বৰ্ধিত ভূমিকাকে সূচায়। পৰিদৰ্শন কালত প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা আলোচনাত ক্ৰিকেট-ভিত্তিক সহযোগিত, ক্ৰীড়া আন্তঃগাঁথনি, খেলুৱৈৰ বিকাশ, জ্ঞানৰ আদান-প্ৰদান, আই পি এল- বি বি এল, অংশীদাৰিত্ব আৰু ২০৩২ চনত হ'বলগীয়া ব্ৰিছবেন

অলিম্পিক আৰু ২০৩৬ চনত অলিম্পিক ক্ৰীড়া মহোৎসৱৰ আয়োজনৰ বাবে ভাৰতে আগবঢ়োৱা প্ৰস্তাৱসহ গুৰুত্বপূৰ্ণ খেল মহোৎসৱৰ আয়োজনৰ পূৰ্বৰ সহযোগিতাৰ বিষয়টোৱে স্থান লাভ কৰে।

০০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডে চলিত বৰ্ষত দেশ দুখনৰ মাজৰ ক্ৰীড়া ক্ষেত্ৰৰ সম্পৰ্কৰ শতবৰ্ষ পূৰ্তি উদযাপন কৰিছে। ১৯২৬ চনত হকীৰ জৰিয়তে এই সম্পৰ্ক আৰম্ভ হোৱাৰ পাছত এইবিধ খেলেই বৰ্তমানলৈ দুয়োখন দেশৰ মাজৰ সম্পৰ্কক অধিক ঘনিষ্ঠ কৰি তুলিছে।

উল্লেখযোগ্য যে ১৯২৬ চনত ভাৰতীয় সেনাৰ হকী দলটো নিউজিলেণ্ড ভ্ৰমণলৈ গৈছিল। সেইটোৱেই আছিল দেশখনলৈ যোৱা ভাৰতৰ প্ৰথমটো খেলুৱৈৰ দল। ভাৰতীয় ক্ৰীড়া জগতৰ কিংবদন্তি পুৰুষ মেজৰ ধ্যানচান্দে অংশগ্ৰহণ কৰা এই ঐতিহাসিক দলটোৱে দেশৰ হকীৰ ইতিহাসত অন্যতম স্মৰণীয় অধ্যায়ৰ সূচনা কৰে।

আকাশবাণীৰ সংবাদদাতাই এই সন্দৰ্ভত প্ৰকাশ কৰা মতে সুদীৰ্ঘ ১০০ বছৰৰ পাছতো দেশ দুখনৰ মাজৰ এই সম্পৰ্ক অব্যাহত আছে। চলিত বৰ্ষৰ আগভাগতে ভাৰতীয় মহিলা হকী দলটোৱে অকলেণ্ডত অনুষ্ঠিত এফ আই এইচ মহিলাৰ নেচনছ্ কাপ হকী প্ৰতিযোগিতাত আয়োজক দেশ নিউজিলেণ্ডক পৰাভূত কৰি খিতাপ অৰ্জন কৰে।

সাম্প্ৰতিক প্ৰেক্ষাপটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিউজিলেণ্ড ভ্ৰমণে দেশ দুখনৰ মাজৰ এই সহযোগিতামূলক সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব বুলি হকী নিউজিলেণ্ডৰ পূৰ্বৰ মুখ্য কাৰ্যবাহী বিষয়া তথা ১৯৭৬ চনৰ অলিম্পিকত সোণৰ পদক বিজেতা ৰমেশ পেটেলে আশা প্ৰকাশ কৰে।

বাইট

উল্লেখযোগ্য যে ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ ক্ৰীড়াক্ষেত্ৰৰ সম্পৰ্কই শতবৰ্ষ উদযাপন কৰাৰ সময়তো হকী, উভয় দেশৰ মাজৰ সম্পৰ্কৰ সেতু হিচাপে পৰিগণিত হৈ আহিছে। এইবিধ খেলে দেশ দুখনৰ মাজৰ জনসাধাৰণক পৰস্পৰৰ সৈতে সম্পৰ্কিত কৰি ৰখাই নহয়, বৰঞ্চ ভৱিষ্যতৰ প্ৰজন্মসমূহকো অনুপ্ৰাণিত কৰি থাকিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অষ্ট্ৰেলিয়া ভ্ৰমণৰ অন্তিম পৰ্যায়ত আজি মেলবৰ্ণত দেশখনৰ বিৰোধী পক্ষৰ নেতা এংগছ টেইলৰক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাৰ এই বৈঠকত প্ৰতিৰক্ষা, বাণিজ্য, শিক্ষা, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সুৰক্ষা, বিনিয়োগ আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ জৰিয়তে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰি তোলাৰ বিষয়টোৰ প্ৰতি দেশখনৰ উভয় দলৰ সমৰ্থন নিশ্চিত কৰাৰ বিষয়ে আলোচনা কৰা হয়। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচাৰ কৰা এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ ক্ৰমবৰ্ধমান শক্তি আৰু সম্ভাৱনাসমূহৰ বিষয়ে দুয়োগৰাকী নেতাই দীঘলীয়াকৈ আলোচনা কৰে। অষ্ট্ৰেলিয়াত ভাৰতবৰ্ষই আন্তৰিকতাপূৰ্ণ তথা বৃহৎ পৰিসৰৰ সমৰ্থন লাভ কৰাৰ বিষয়টো গভীৰভাৱে উপলব্ধি কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০০০০০

অসম চৰকাৰৰ বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বিধানসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পূৰ্ণাংগ বাজেট দাখিল কৰে। মানৱতাবাদ, সামূহিক দায়বদ্ধতা আৰু জনকল্যাণৰ মনোভাব সন্মুখত ৰাখি সদনত এই বাজেট উপস্থাপন কৰা বুলি প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে এই বাজেটে অহা পাঁচ বছৰৰ বাবে স্পষ্ট আৰু সুদূৰ প্ৰসাৰী কাৰ্যপন্থা

নিৰ্ধাৰণ কৰিছে। এই বাজেটত ১৮ খন ধবজাবাহী আঁচনিৰে সুৰক্ষিত, সমৃদ্ধ, বিকশিত অসম গঢ়ি তোলাৰ যাত্ৰাত অসমক পথ নিৰ্দেশনা প্ৰদান কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীৰ পৰিকল্পিত ধাৰণাৰ অষ্টাদশ মুকুতাৰ উন্নয়নী মালা উপস্থাপন কৰা বুলিও বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে। অনাগত পাঁচ বছৰত বিভিন্ন চৰকাৰী বিভাগ, বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পৰিষদ আৰু ৰাজহুৱা অংশীদাৰিত্ব থকা কোম্পানী আদি সামৰি ৰাজ্যখনৰ ৰাজহুৱা খণ্ডত দুই লাখ নিযুক্তি প্ৰদানৰ লক্ষ্য স্থিৰ কৰা বুলি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বাজেট ভাষণত উল্লেখ কৰে।

(বাইট ঃ মল্লবৰুৱা)

বিধানসভা নিৰ্বাচন প্ৰক্ৰিয়াৰ সময়ত নিয়মীয়া বাজেট উপস্থাপন কৰিব নোৱাৰা বাবে বন্ধ হৈ থকা চৰকাৰী কল্যাণমূলক আঁচনিসমূহৰ সুবিধা অহা মাহৰ পৰা পুনৰ আৰম্ভ কৰা হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰে ভিতৰত অৰুণোদয় আঁচনিৰ ধন বিতৰণ কৰাৰ লগতে শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধি পেঞ্চন আঁচনিৰ ধন প্ৰদান কৰিব। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁইনৰ ৰেচনকাৰ্ডধাৰীসকললৈ ৰেহাই মূল্যত মচুৰ ডাইল আৰু চেনী যোগান ধৰাৰ কামো আৰম্ভ কৰিব। একেদৰে স্নাতক ডিগ্ৰীধাৰীসকলক জীৱন প্ৰেৰণা নামৰ আঁচনিৰ অধীনত অহা ছেপ্টেম্বৰৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ কৃষি সা-সজুঁলি যোজনাৰ আধাৰত ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকললৈ সাহায্য প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰতিগৰাকী যোগ্য কৃষকক বছৰি ১১ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। দুগ্ধ পালকসকলক সাহায্য দিয়াৰ উদ্দেশ্যে গেপ ছাপোৰ্ট স্কীমৰ ব্যৱস্থা কৰাৰ কথাও বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে। অপ্ৰাদেশীকীকৃত মহাবিদ্যালয়সমূহৰ প্ৰাদেশীকীকৰণ আৰু বিশ্ববিদ্যালয়সমূহলৈ ৫০ কোটি টকাৰ আৰ্থিক সাহায্য দিয়া হ'ব বুলি বাজেট ভাষণত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ অধীনত খিলঞ্জীয়া জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ নিশ্চিত কৰা হ'ব বুলিও প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাৰ্থহীন কাম-কাজক মানৱতাৰ সবাতোকৈ বৃহৎ শক্তি বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমৰ নিজৰ হেণ্ডলত সংস্কৃতৰ এটা হিতোপদেশৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে সেৱা আৰু নিষ্ঠাৰ এই মানসিকতাৰে উদ্বুদ্ধ হৈ ভাৰতবৰ্ষ প্ৰতিগৰাকী নাগৰিকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ সংকল্পৰে আগবাঢ়ি গৈছে।

০০০০০০০০০

নতুন আৰু নবীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে নিকা শক্তিৰ জৰিয়তে দ্বিতীয়বাৰৰ বাবে দেশৰ বিদ্যুৎ চাহিদাৰ ৫০ শতাংশৰো অধিক পূৰণ হৈছে বুলি প্ৰকাশ কৰিছে। শ্ৰীযোশীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে যোৱা ৬ জুলাইত নবীকৰণযোগ্য উৎসৰ জৰিয়তে ৫০ দশমিক ২ শতাংশ বিদ্যুৎ যোগান ধৰা হয়। মন্ত্ৰীগৰাকীয়ে এই সাফল্যক নিকা শক্তি খণ্ডৰ বৰ্ধিত সামৰ্থ্যৰ প্ৰতীক বুলি অভিহিত কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশপ্ৰাকৃতিক সম্পদৰ ক্ষতি নকৰাকৈ অৰ্থনৈতিক কাম-কাজ সম্প্ৰসাৰণৰ দিশে দ্ৰুত আৰু দৃঢ়তাৰে অগ্ৰসৰ হৈছে।

০০০০০০০০০

হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় মহিলা ক্ৰিকেট দল আজি লণ্ডনৰ লৰ্ডছত হ'বলগীয়া একমাত্ৰ টেষ্টত ঘৰুৱা দল ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। এয়া হ'ব লৰ্ডছত খেলোৱা প্ৰথমখন মহিলা টেষ্ট মেচ। এই চাৰিদিনীয়া টেষ্ট খেলখনৰ বাবে ইতিমধ্যে ৩৩ হাজাৰৰো

অধিক লোকে টিকট ক্ৰয় কৰিছে। ভাৰত আৰু ইংলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজত এতিয়ালৈকে ১৬খন টেষ্ট অনুষ্ঠিত হৈছে। ভাৰতে ইয়াৰে তিনিখন খেলত জয় হোৱাৰ বিপৰীতে ইংলেণ্ডে এখন খেলত জয়লাভ কৰিছে। বাকী ১১খন খেল ড্ৰ হৈছে।

০০০০০০০০০

স্পেইন আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ফ্ৰান্সে যোৱা নিশা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বষ্টনত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত মৰক্কোক ২-০ গ'লত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধ গ'ল শূন্যভাৱে সমাপ্ত হোৱাৰ পাছত কিলিয়ন বাপ্পেই ৬০ মিনিটত আৰু উছমান ডেম্বেলেই ৬৬ মিনিটত গ'ল দি ফ্ৰান্সৰ বিজয় সুনিশ্চিত কৰে। ইয়াৰ লগে লগে বাপ্পেই ৩০ বছৰ বয়সৰ পূৰ্বে বিশ্বকাপত ২০টা গ'ল দিয়া প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। ফ্ৰান্স এইবাৰ একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। শনিবাৰে নিশা ন'ৰৰে ইংলেণ্ডৰ আৰু দেওবাৰে পুৱা যোৱাবাৰৰ চেম্পিয়ন আৰ্জেণ্টিনা ছুইজাৰলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০০০০০

সমাপ্ত